# মহাপ্লাৱন বিতৰ্ক

## পৰ্যালোচনা | জিতুমণি পাঠক

বাইবেলৰ ৬ৰ ৯ নং অনুচ্ছেদলৈ বৰ্ণিত হৈছে এক মহাপ্লাৱন'ৰ কাহিনী। পৃথিৱীত মানৱৰ ক্ৰমান্বয়ে বৃদ্ধি পোৱা অপকৰ্মত বিতুষ্ট ঈশ্বৰে সমগ্ৰ পৃথিৱীখনকে ধ্বংস কৰি নতুন এক সৃষ্টিৰ আৰম্ভণি কৰাৰ পৰিকল্পনা কৰে। তাৰেই ফলত এই মহাপ্লাৱন। ইয়াৰপৰা মাথোঁ ৰক্ষা পৰে ঈশ্বৰৰ একান্ত অনুগামী নোৱা আৰু তেওঁৰ পৰিয়ালবৰ্গ; লগতে ঈশ্বৰৰ নিৰ্দেশত নোৱাই সংৰক্ষণ কৰা বিভিন্ন প্ৰাণী-উদ্ভিদ প্ৰজাতি। ঈশ্বৰৰ নিৰ্দেশত একেৰাহে চল্লিশ দিন দিনে-ৰাতিয়ে হোৱা বৰষুণে প্লাৱিত কৰি পেলাইছিল সমগ্ৰ পৃথিৱী। বুৰ গৈছিল সুউচ্চ পৰ্বতসমূহো। পানীৰ বুকুত ধ্বংস হৈ গৈছিল সমগ্ৰ জীৱজগত।

সোতৰশ শতিকালৈকে বাইবেলৰ এই কাহিনীয়ে কোনো বিতৰ্কৰ সৃষ্টি কৰা নাছিল। কিয়নো সেই সময়ছোৱালৈকে মানুহৰ সমগ্ৰ পৃথিৱীখন সম্পৰ্কে জ্ঞান আছিল তেনেই সীমিত। কিন্তু পিছৰ সময়ছোৱাত যেতিয়া মানুহ পৃথিৱীৰ বিভিন্ন অনাৱিষ্কৃত অঞ্চলসমূহৰ সৈতে পৰিচিত হ'ল, তেতিয়াই বাইবেলত বৰ্ণিত 'মহাপ্লাৱন'ৰ কাহিনী প্ৰশ্ন চিহ্নৰ সৃষ্টি কৰিলে। ভালেমান বিজ্ঞানীয়ে পৰ্যাপ্ত তথ্যৰে প্ৰতিষ্ঠা কৰিব বিচাৰিলে যে মহাপ্লাৱন' প্ৰকৃততে এক আঞ্চলিক পৰ্যায়ৰ পৰিঘটনাহে। কিয়নো সমগ্ৰ পৃথিৱীখনক বুৰাই পেলাব পৰাকৈ জানো পৃথিৱীত পৰ্যাপ্ত পানী আছে? আজিৰ পৃথিৱীৰ এক বৃহৎ পানীভাগেই সমুদ্ৰৰ বুকুত স্থিত। পৃথিৱীৰ স্থলভাগ বুৰাই পেলাবলৈ হ'লে সমুদ্ৰত থকা পানীৰ সমপৰিমাণৰ বা তাতকৈও অধিক পানীৰ প্ৰয়োজন হ'ব। মেৰু অঞ্চলৰ বৰফবোৰ যদি সম্পূৰ্ণৰূপে গলি যায় তেন্তে ই সেই চাহিদা যথেষ্টখিনি পূৰাবলৈ সক্ষম হ'ব যদিও সমগ্ৰ পৃথিৱী বুৰ যোৱাৰ যি ধাৰণা, সেয়া সঠিক বুলি প্ৰমাণ কৰাৰ বাবে যথেষ্ট নহয়। তদুপৰি এভাৰেষ্টৰ (যাৰ উচ্চতা ২৯,০৩৫ ফুট) দৰে সুউচ্চ পৰ্বত শৃংগক নোৱাৰ কাহিনীত বৰ্ণিত 'বৃহৎ প্লাৱনে' ঢুকি পোৱাটো অকল্পনীয়। মুঠৰ ওপৰত সোতৰশ শতিকাৰ পিছৰপৰা বিজ্ঞান মননৰ অধিকাৰী ব্যক্তিৰ ওচৰত বৃহৎ প্লাৱনৰ কাহিনীয়ে লাহে লাহে তাৎপৰ্য হেৰুৱাই পেলাইছিল।

মহা প্লাৱনৰ কাহিনীৰ বৈজ্ঞানিক সত্যতা সম্পূৰ্ণ ৰূপে নুই হওঁ হওঁ হোৱাৰ সময়তে সাম্প্ৰতিক সময়ছোৱাত হোৱা গৱেষণা-ধৰ্মী কিছু কাম-কাজে এই পৰিঘটনাক পুনৰ নৰূপত উজ্জীৱিত কৰি তুলিছে। মহা প্লাৱনৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা প্ৰথম প্ৰশ্নটো আছিল যে পৃথিৱীত থকা জলভাগে সম্পূৰ্ণৰূপে পৃথিৱীখন বুৰাই পেলাবলৈ সক্ষম নে? ইয়াৰ এক উত্তৰ উলিয়াবলৈ সক্ষম হৈছে বিজ্ঞানী মহলে। তেওঁলোকে বহুতো হিচাপ-নিকাচৰ অন্তত এইটো নিশ্চিত হৈছে যে যদিহে পৃথিৱীখনত আজিৰ দৰে দ সমুদ্ৰগৰ্ভ বা সুউচ্চ পৰ্বতমালা নাথাকে, তেন্তে পৃথিৱীত যিমান পৰিমাণৰ পানী আছে সেই পানীয়ে পৃথিৱীক প্ৰায় ৮ হাজাৰ ফুট গভীৰ পানীত বুৰাই ৰাখিবলৈ সক্ষম হ'ব। তথাপি এই প্লাৱনৰ স্পৰ্শৰপৰা অক্ষত থাকি যায় এভাৰেষ্টৰ দৰে সুউচ্চ শৃংগবোৰ। অৱশ্যে এই ক্ষেত্ৰটো এক সন্তোষজনক সমাধান উলিয়াবলৈ সক্ষম হৈছে বিজ্ঞানীমহলে। বিভিন্ন ভূতাত্ত্বিক অধ্যয়নসমূহে এই কথা প্ৰতীয়মান কৰিবলৈ সক্ষম হৈছে যে পৃথিৱীৰ যি আৱয়ৱিক স্থিতি সেয়া স্থিৰ নহয়। ক্ষয়ণ-অৱক্ষেপণ আদি ভূ-তাত্ত্বিক প্ৰক্ৰিয়াৰ বাবে পৃথিৱীৰ আৱয়ৱিক স্থিতি মুহূৰ্তে মুহূৰ্তে সলনি হৈ থাকে। গতিকে আজি আমি যি দ সমুদ্ৰ গৰ্ভ আৰু সুউচ্চ পৰ্বতমালাৰে পৃথিৱীখন প্ৰত্যক্ষ কৰিছো, নোৱাৰ পৃথিৱীখন তাতকৈ বেলেগ হোৱাটো কোনো অসম্ভৱ কথা নহয়।

নোৱাৰ সৈতে সংপৃক্ত 'মহাপ্লাৱন'ৰ কাহিনীক আৰু নতুন মাত্ৰা প্ৰদান কৰিছে বিভিন্ন ধৰণৰ ভূতাত্ত্বিক আৰু জীৱ তাত্ত্বিক অধ্যয়নে। সমুদ্ৰ বক্ষৰপৰা হিমালয়ৰ উত্থানৰ পৰিঘটনা সকলোৰে জ্ঞাত। তদুপৰি এণ্ডিজ, ৰকি, আলপছ আদি পৰ্বতমালাৰ পাদদেশতো আৱিষ্কৃত হৈছে সমুদ্ৰীয় গেদৰ। সুউচ্চ এভাৰেষ্ট শৃংগত পোৱা গৈছে সামুদ্ৰিক প্ৰাণীৰ অৱস্থিতি জীৱাশ্ম ৰূপত। পৃথিৱীৰ পানী ভাগে এভাৰেষ্টৰ সেই উচ্চতাক চুব যে নোৱাৰে সেয়া আমি নিশ্চিত। গতিকে সামুদ্ৰিক প্ৰাণীৰ অৱশেষৰ উপস্থিতিয়ে স্পষ্টভাৱে কয় যে এভাৰেষ্টকে আদি কৰি অন্যান্য শৃংগক পৰ্বতমালাবোৰ আজিৰ দৰে ওখ নাছিল। গতিকে তেনে এখন আপেক্ষিকভাৱে সমান পৃথিৱীক ৮ হাজাৰ ফুট গভীৰলৈ নহ'লেও কেইশমান ফুট গভীৰলৈ পানীত বুৰাই ৰখা বৃহৎ প্লাৱন এটা যে হোৱা নাছিল, সেয়া আমি নিশ্চিতভাৱে ক'ব নোৱাৰো। তদুপৰি আগ্নেয়গিৰিপৰা উদ্গীৰিত লাভা বা ভূঁইকঁপ আদিৰ দৰে প্ৰাকৃতিক ঘটনাই মহাসাগৰৰ বুকু বাম কৰি পেলোৱাটোও অতি স্বাভাৱিক ঘটনা হিচাপেই ধৰিবপৰা যায়। সাম্প্ৰতিক সময়তো একাংশ বিজ্ঞানীয়ে এছিয়া মহাদেশৰ প্ৰায় বৃহৎ অংশ জুৰি এনে কিছু কিছু ঠাইত গভীৰ সমুদ্ৰতলীৰ গেদ আৱিষ্কাৰ কৰিছে যি ঠাইক পানীয়ে বুৰাই পেলাব পাৰে বুলি আজি কল্পনাই কৰিব নোৱাৰি। সেয়েহে এই তথ্যবোৰ বিশ্লেষণ কৰি এটা কথা ক'ব পৰা যায় যে বাইবেলত বৰ্ণিত নোৱাৰ কাহিনীত কিছু অতিৰঞ্জন থাকিলেও ই নিতান্তই এক ৰূপক নহয়। হয়তোবা ইতিহাসৰ কোনোবা এক ক্ষণত মানুহ সঁচাকৈয়ে বৃহৎ প্লাৱনৰ দৰে একে ভয়াৱহ প্ৰাকৃতিক ঘটনাৰ সাক্ষী হৈছিল।

